# জৱাহৰ জ্যোতি



# জৱাহৰ জ্যোতি

## জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

বছৰেকীয়া প্ৰকাশ

দ্বাবিংশ সংখ্যা ঃ ১৯৯৯-২০০০ বৰ্ষ


তত্ত্বাৱধায়ক
শ্ৰীযুগল কিশোৰ নাথ

সম্পাদক
শ্ৰীৰণ্টু দাস

সহঃ সম্পাদক
শ্ৰীবিপুল কুমাৰ কলিতা

# সম্পাদনা সমিতি


| | | |
|---|---|---|
| সভাপতি | ঃ | ড° ৰমাকান্ত বৰুৱা, অধ্যক্ষ |
| উপ সভাপতি | ঃ | শ্ৰীদ্বিজেন্দ্ৰনাথ দাস, উপাধ্যক্ষ |
| তত্বাৱধায়ক | ঃ | শ্ৰীযুগল কিশোৰ নাথ |
| সম্পাদক | ঃ | শ্ৰীৰণ্টু দাস |
| সহঃ সম্পাদক | ঃ | শ্ৰীবিপুল কুমাৰ কলিতা |
| প্ৰবক্তা সদস্য | ঃ | শ্ৰীলক্ষীকান্ত শৰ্মা<br>শ্ৰীউমেশ চন্দ্ৰ কৰ<br>শ্ৰীললিত চন্দ্ৰ ৰাভা |
| ছাত্ৰ সদস্য | ঃ | মিচ্ ভূমিকা দাস,<br>ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদিকা, ছাত্ৰ একতা সভা |
| বেটুপাত | ঃ | শ্ৰীডেনিয়েল মাৰাক |
| অংগ সজ্জা | ঃ | তত্বাৱধায়ক আৰু সম্পাদকদ্বয় |
| স্কেচ্ | ঃ | ইম্‌প্ৰিণ্ট |
| আলোক চিত্ৰ | ঃ | ষ্টুডিঅ' ৰূপা, বকো |
| মুদ্ৰক | ঃ | ***ইম্‌প্ৰিণ্ট,***<br>মণ্ডলদৈ, ফোন - ২৪৪৪৯ |

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৯-২০০০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ হৈ শ্ৰীৰণ্টু দাস আৰু শ্ৰীবিপুল কুমাৰ কলিতাৰ দ্বাৰা প্ৰকাশিত।



# প্ৰয়াত দেবেন্দ্ৰ নাথ শৰ্মা

জন্ম ঃ ১ চেপ্তেম্বৰ, ১৯৪০ চন　　　　মৃত্যু ঃ ২০ মে' ২০০০ চন

মহাবিদ্যালয়ৰ উপাধ্যক্ষ আৰু অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা অৱস্থাত নিষ্ঠুৰ কালে আমাৰ মাজৰ পৰা কাঢ়ি নিয়া এক অবিস্মৰণীয় ব্যক্তিত্ব — যাৰ কৰ্তব্যনিষ্ঠা, মধুৰ বচন আৰু সদা পৰোপকাৰী স্বভাৱৰ ডুখৰীয়া স্মৃতি মনৰ মণিকোঠত আজিও সজীৱ — অনাগত ভৱিষ্যতেও হৈ ৰ'ব অবিলীন।

পৰম মঙ্গলময় ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ তেখেতৰ বিদেহী আত্মাৰ চিৰ শান্তি !!

# অশ্ৰু অঞ্জলি



ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি
ড° শংকৰ দয়াল শৰ্মা, প্ৰথিত যশা
শিল্পী-সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন
সভাপতি, অসমৰ প্ৰাক্তন শিক্ষামন্ত্ৰী, চিৰ সেউজ
লক্ষ্যধৰ চৌধুৰী,
অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিদ্বয়
চৈয়দ আব্দুল মালিক আৰু হিতেশ ডেকা,
বড়ো সাহিত্য সভাৰ সভাপতি
বিনেশ্বৰ ব্ৰহ্ম
প্ৰমুখ্যে খ্যাত-অখ্যাত ব্যক্তিসকল আৰু
হিংসা-সন্ত্ৰাসৰ বলি হোৱা জ্ঞাত-অজ্ঞাতসকলৰ
বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি আমাৰ
অশ্ৰু অঞ্জলি যাচিছোঁ।

## ব্যস্ততাৰ এক মুহূৰ্ত্ত





**অধ্যক্ষ ড° ৰমা কান্ত বৰুৱা,** এম.এ., পি-এইচ. ডি.



## শ্ৰীমৃগেন্দ্ৰ কুমাৰ শৰ্মা

১৯৭১ চনৰ পৰা একেৰাহে ২৮ বছৰৰো অধিককাল আমাৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে অধ্যাপনা কৰি ১৯৯৯ চনত অৱসৰ গ্ৰহণ কৰা প্ৰবীণ অধ্যাপক শ্ৰদ্ধেয় মৃগেন্দ্ৰ কুমাৰ শৰ্মাৰ অনাগত দিনবোৰত বিৰাজ কৰক অনাবিল সুখ-শান্তি — মঙ্গলময় ভগৱানৰ ওচৰত এয়ে আমাৰ প্ৰাৰ্থনা ।



আমাৰ মহাবিদ্যালয়ৰ ভৱন (নতুন)

# সম্পাদকীয়



কুৰি শতিকাৰ অৱসান ঘটিল। বিশ্বই আদৰি ললে নতুন সহস্ৰাব্দক। বিগত শতিকাত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চৰম উৎকৰ্ষ সাধন হ'ল। গোটেই পৃথিৱীখনেই এখন গোলকীয় গাঁও (Global village)ত পৰিণত হ'ল। ভূপৃষ্ঠ পাব হৈ মহাকাশৰ বুকু ভেদি মানৱ জাতিয়ে চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰিলে। পৃথিৱীৰ দেশবোৰৰ মাজত প্ৰতিযোগিতা চলিল — উন্নতিৰ জখলাত কোনে কিমান বগোৱা বাই আগুৱাই যাব পাৰে। শিক্ষা-সংস্কৃতি, বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ চৰম উন্নতিৰ সময়ত হিংসা-সন্ত্ৰাস, হত্যা-লুণ্ঠন আদিৰে জৰ্জ্জৰিত আমাৰ দেশ। নিজক স্বাধীনকৈ প্ৰতিষ্ঠা কৰাৰ দাবীত আমাৰ দেশত চলিছে বন্ধ হৰতালৰ প্ৰতিযোগিতা। সন্ত্ৰাসবাদ বিচ্ছিন্নতাবাদে স্বাভাৱিক জীৱন ব্যাহত কৰিছে, সমাজত অশান্তি, বিশৃংখলতাই গাকৰি উঠিছে। নিৰ্দ্দোষ নিৰপৰাধীৰ অকাল বিয়োগ ঘটিছে। উন্নয়নৰ গতি স্থবিৰ হৈ পৰিছে। হিংসা-সন্ত্ৰাসৰ অৱসান ঘটাবলৈ হ'লে প্ৰথমে এই অশান্তিৰ মূল কাৰণ সমূহ বিশ্লেষণ কৰি তাক নিবাময় কৰাৰ উপযুক্ত প্ৰচেষ্টা হাতত ল'ব লাগিব। অন্যথা সমাজত শান্তি প্ৰতিষ্ঠা সুদূৰ পৰাহত হৈয়ে ৰ'ব। আলাপ-আলোচনা আৰু এৰা ধৰাৰ মাজেৰেহে জ্বলন্ত সমস্যা সমূহৰ সমাধান সম্ভৱ।

আমাৰ দেশত আজি কৰ্মমুখী আৰু বাস্তৱমুখী শিক্ষাৰ বহুল প্ৰচাৰৰ অভাৱত হেজাৰ হেজাৰ নিবনুৱাৰ সৃষ্টি হৈছে। আৰু এইসকল দেশ তথা সমাজৰ বোজা স্বৰূপ হৈ পৰিছে। কেৱল মাথোন শিক্ষিতৰ সংখ্যা বঢ়োৱাটোৱেই শিক্ষাৰ উদ্দেশ্য নহয়; ই মানৱ সম্পদৰ বিকাশ সাধন কৰাৰো দৰকাৰ। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ দ্ৰুত বিকাশৰ জৰিয়তেহে দেশৰ উন্নতি সাধন কৰিব পাৰি। বৃটিছে প্ৰবৰ্ত্তন কৰি থৈ যোৱা কেৰাণী তৈয়াৰ কৰা শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন সাধন কৰি বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ বহুল প্ৰচাৰৰ জৰিয়তেহে মানৱ সম্পদৰ পূৰ্ণ বিকাশ সম্ভৱপৰ হৈ উঠিব।

চাহ, তেল, কয়লা আদি সম্পদেৰে অসম চহকী। এই সম্পদ সমূহৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰিব পৰা বিষয় আমাৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হোৱা নাই। অসমত এইবোৰ বিষয়ত পাৰদৰ্শী লোকৰ অভাৱ। ফলত তৈলক্ষেত্ৰ, কয়লাক্ষেত্ৰ আদিত কাম কৰিবলৈ স্থানীয় লোকৰ অভাৱত বাহিৰৰ পৰা সুদক্ষলোকক আমদানি কৰিবলগীয়া হয়। Petroleum Technology, Coal mining, Forestry আদি বিষয়বোৰৰ প্ৰতি অসমীয়া ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষিত কৰিব পৰাকৈ আৰু সহজতে শিক্ষা গ্ৰহণ কৰিব পৰাকৈএই বিষয়বোৰ আমাৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰা অতীৱ প্ৰয়োজন।

জাল মাৰ্কছিট, ভুৱা ছাৰ্টিফিকেট আদিৰ প্ৰয়োভৰে শিক্ষাজগত কলুষিত কৰিছে। সাধাৰণ লাভালাভৰ বাবেই

এক দুষ্ট চক্ৰই শিক্ষাৰ নামত কালিমা সানিছে। এই দুষ্ট চক্ৰক যথোপযুক্ত শাস্তি প্ৰদান কৰিলেহে এই অপকাৰ্য্যৰ বিলুপ্তি ঘটিব। অবাঞ্ছিত ৰাজনৈতিক হস্তক্ষেপেও শিক্ষা জগতৰ বিস্তৰ ক্ষতি সাধন কৰিছে। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত প্ৰায়েই ৰাজনৈতিক হস্তক্ষেপৰ অভিযোগ উঠে। ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ সুনাগৰিকৰূপে গঢ়িবলৈ অৰ্হতা সম্পন্ন শিক্ষকৰহে প্ৰয়োজন। নামভৰ্ত্তিৰ ক্ষেত্ৰটো মেধাৱী ছাত্ৰ-ছাত্ৰীক বঞ্চিত কৰি নিৰ্ব্বাচকৰ ইচ্ছানুযায়ী অনুপযুক্ত ছাত্ৰ-ছাত্ৰীকো নামভৰ্ত্তিৰ সুবিধা দিয়া দেখা যায়। এনেবোৰ কাৰকৰ বাবে ছাত্ৰ-ছাত্ৰীসকল হতাশাগ্ৰস্ত হৈ পৰে আৰু বিদ্যায়তনিক শিক্ষাৰ প্ৰতি তেওঁলোকৰ ধাউতি হ্ৰাস পায়। আজি ৰাজ্যখনত বঘূমলাৰ দৰে গঢ়ি উঠিছে শত সহস্ৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়। ইংৰাজীকেই মুখ্য ভাষা হিচাপে লৈ গঢ় লৈ উঠা এই বিদ্যালয়সমূহত অসমীয়া তথা অন্য আঞ্চলিক ভাষাবোৰক গুৰুত্ব দিয়া নহয়। তথাপিতো ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকল এই অনা অসমীয়া বিদ্যালয়বোৰৰ প্ৰতিহে আকৰ্ষিত হোৱা দেখা যায়। চাল-বেৰ নথকা অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰৰ পুতৌজনক অৱস্থা, শৈক্ষিক পৰিবেশৰ অৱনতি, নিম্নমানদণ্ডৰ ফলাফল আদিৰ বাবেই এই বিদ্যালয়বোৰ আজি অৱহেলিত, অনাদৃত হৈছে। এই বিদ্যালয়বোৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনে দিনে কমি গৈছে। ৰাজ্যত ৰাজ্য ভাষা অসমীয়া হোৱাৰ সময়ত অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰৰ এই দুৰৱস্থাই অসমীয়া ভাষা-সাহিত্যৰ গভীৰ সংকট মাতি আনিব। অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰক ৰক্ষা কৰিবলৈ চৰকাৰ, শিক্ষক আৰু অভিভাৱকসকলে সময় থাকোতেই উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা উচিত।

প্ৰাশ্চাত্যৰ অন্ধ অনুকৰণে আজি আমাৰ সমাজ জীৱন গ্ৰাস কৰি পেলাইছে। সংস্কৃতিৰ নামত অপসংস্কৃতিয়ে গঢ় লৈ উঠিছে। দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদিয়ে জনজীৱন বিপৰ্য্যাস্ত কৰি তুলিছে। মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয় ঘটিছে। এই সামাজিক ব্যাধি ৰোধিবলৈ হ'লে লাগিব — সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সামূহিক প্ৰচেষ্টা আৰু আকুণ্ঠ সঁহাৰি। এখন নিকা, সুস্থ সমাজ আমাৰ অটাইৰে কাম্য। তেনে এখন সমাজ গঢ়িবলৈ হ'লে লাগিব আমাৰ আটাইৰে পূৰ্ণ সহযোগিতা আৰু একাগ্ৰতা। নতুন সহস্ৰাব্দই সমাজৰ সকলো স্তৰৰ লোকলৈ কঢ়িয়াই আনক তেনে এখন সুস্থ সমাজ গঢ়াৰ নতুন প্ৰতিশ্ৰুতি ...........।

# প্ৰবন্ধৰ শৰাই


| | | | |
|---|---|---|---|
| ১। | অকালতে হেৰাই যোৱা আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৺দেৱেন্দ্ৰ নাথ শৰ্মাৰ স্মৃতিত আষাৰ-চেৰেক | ▷ শ্ৰীলক্ষী কান্ত শৰ্মা | ১ |
| ২। | কম্পিউটাৰ আৰু ইয়াৰ শেহতীয়া বিপ্লৱ | ▷ শ্ৰীনয়ন মণি ঠাকুৰীয়া | ৪ |
| ৩। | এইড্‌ছ্‌ আৰু সাৱধানতা | ▷ শ্ৰীজগদীশ চন্দ্ৰ নাথ | ৭ |
| ৪। | আধুনিক কবিতাৰ সন্ধানত | ▷ শ্ৰীদেৱজিৎ বৰা | ৯ |
| ৫। | অলিম্পিকত ভাৰতৰ প্ৰদৰ্শন | ▷ শ্ৰীমহানন্দ দাস | ১১ |
| ৬। | সুকবি নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ' ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন | ▷ ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া | ১৩ |
| ৭। | একবিংশ শতিকাৰ প্ৰথমটো লোক গণনা ঃ এটি চমু বিশ্লেষণ | ▷ শ্ৰীপ্ৰহ্লাদ ভৰালী | ১৯ |
| ৮। | স্থানীয় সম্পদৰ ব্যৱহাৰিক চিন্তা | ▷ শ্ৰীবিজয়া ডেকা | ২৪ |

# অকালতে হেৰাই যোৱা আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৺দেৱেন্দ্ৰ নাথ শৰ্মাৰ স্মৃতিত আষাৰ-চেৰেক

শ্ৰীলক্ষী কান্ত শৰ্মা
প্ৰবক্তা, বুৰঞ্জী বিভাগ

২০০০ চনৰ ২০ মে তাৰিখ। সেই দিনটোৱে কঢ়িয়াই আনিছিল এই অঞ্চল তথা আমাৰ মহাবিদ্যালয়ৰ পৰিয়ালটোলৈ এটি দুঃসম্বাদ — মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ শ্ৰীদেৱেন্দ্ৰ নাথ শৰ্মা আৰু আমাৰ মাজত নাই। গুৱাহাটীৰ ইণ্টাৰনেচনেল হস্পিতালত চিকিৎসাধীন হৈ থাকোতেই তেওঁৰ মৃত্যু ঘটিল। জন্ম-মৃত্যু হ'ল এক চিৰন্তন সত্য। কিন্তু কোনো দিনে অসুখ বা জ্বৰ কি ক'ব নোৱাৰা তেওঁ যেনেদৰে অলপ দিন অসুখ ভোগ কৰিয়ে মৃত্যুবৰণ কৰিলে সেইটো সঁচাকৈ অতি অভাৱনীয় আৰু কোনেও কল্পনা কৰিব নোৱাৰা ধৰণৰ আছিল।

১৯৬৬ খৃষ্টাব্দতে এই মহাবিদ্যালয়ত অৰ্থনীতি বিষয়ৰ অধ্যাপক হিচাপে যোগদান কৰা ৺শৰ্মাৰ জন্ম হৈছিল দৰং জিলাৰ ছিপাঝাৰ থানাৰ অন্তৰ্গত কুঁৱৰীগাঁও নামে এখন ভিতৰুৱা গাঁওত। তেওঁৰ পিতৃ প্ৰয়াত কালীৰাম শৰ্মা এগৰাকী নিষ্ঠাবান শিক্ষক আছিল। শিক্ষকতাকে জীৱনৰ ব্ৰত হিচাপে লোৱা প্ৰয়াত কালীৰাম শৰ্মাই সেইকালতে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা মেট্ৰিক পৰীক্ষাত তিনিটা বিষয়ত লেটাৰ লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। শিক্ষক হোৱাৰ বাসনা থকা শৰ্মাদেৱে সেয়ে নৰ্মাল পঢ়িবলৈ গৈছিল আৰু নৰ্মাল পাচ কৰি তেওঁ এখন চৰকাৰী মজলীয়া বিদ্যালয়ত শিক্ষকতা কৰিবলৈ লৈছিল। পিছত তেওঁ মঙ্গলদৈ চৰকাৰী হাইস্কুললৈ আহে আৰু তাৰে পৰাই শৰ্মাদেৱে অৱসৰ গ্ৰহণ কৰে। শিক্ষক পিতৃৰ সন্তান হিচাপে ৺দেৱেন্দ্ৰ নাথ শৰ্মাকো দেউতাকে শিক্ষক কৰিবই বিচাৰিছিল আৰু সেয়ে মেট্ৰিক পাচ কৰাৰ পিছতে নৰ্মাল পঢ়িবৰ কাৰণে চতিয়ালৈ পঠিয়াইছিল। কিন্তু নৰ্মাল পঢ়াৰ যোগ তেওঁৰ নাছিল। নৰ্মাল স্কুলত তেওঁৰ মুঠেই মন নবহিল আৰু সেয়ে দেউতাকক নজনোৱাকৈয়ে চতিয়া এৰি তেওঁ গুৱাহাটীত উপস্থিত হয়হি। তেওঁ দেউতাকক চতিয়া এৰি অহাৰ কথাটো ক'বলৈ ইমান ভয় কৰিছিল যে দেউতাকৰ স্কুলৰ প্ৰধান শিক্ষক প্ৰয়াত দীননাথ চহৰীয়াকহে লগ ধৰি চতিয়া এৰি অহাৰ কথাটো কৈছিল আৰু দেউতাকক জনাবলৈ কৈছিল।

কথা প্ৰসঙ্গতে তেওঁ নৰ্মাল স্কুলত থকা দিনৰ অভিজ্ঞতাৰ কথা আমাৰ আগত প্ৰায়ে কৈছিল। তাত তেওঁৰ ভাগত হেনো সদায় পৰিছিল হোষ্টেলত খাবলৈ অনা ছাগলীটো মাৰি দিয়াৰ দায়িত্ব। তেওঁ একে পাকে মোটকি ধৰি ছাগলীটো মাৰি দিছিল। ছাগলীটো মাৰি দিয়াটো তেওঁ কাম বুলিয়ে ভবা নাছিল। একে মোটকাই ছাগলী মৰাৰ অভ্যাসটোৱে তেওঁক এটা সময়ত পগলা শিয়াল এটা মাৰি পেলোৱাতো সহায় কৰিছিল। তেতিয়া তেওঁ গুৱাহাটীত থাকে। ১৯৬০ চনৰ আহিন-কাতিৰ দোমাহীৰ দিনা তেওঁৰ গাঁৱৰ ওচৰৰ দেৱানন্দ সত্ৰত প্ৰতিবছৰে 'মঠেনি' বা 'দধিমথন' উৎসৱ নামে এটা বৰ ডাঙৰ উৎসৱ হয়। সেই উৎসৱ চাবলৈ তেওঁ লগৰ বন্ধু এজনক লৈ আগদিনাই গুৱাহাটীৰ পৰা ঘৰলৈ গৈছিল। পিছদিনা ৰাতিপুৱাতে উঠি তেওঁ বাহিৰলৈ ওলাই অহাত কিবা এটাই আহি তেওঁৰ কলাফুলত প্ৰচণ্ড জোৰত কামোৰ মাৰি ধৰিলে। ঘৰৰ বাকী মানুহ তেতিয়া শুয়ে

আছিল। পাক মাৰি ধৰি ছাগলী মৰাৰ অভ্যাস তেওঁৰ আছিল। গতিকে তৎক্ষণাত মুখখনত ধৰি একৱাই আনি এনেভাৱে পাক মাৰি ধৰিলে যে কিছুসময় ধৰফৰ কৰি বস্তুটো মৰি থাকিল। তেতিয়াহে তেওঁ কিবাই কামুৰিলে বুলি ঘৰৰ বাকী মানুহক মাতিলে। ঘৰৰ মানুহবোৰ উঠি গৈ দেখে যে সেইটো এটা প্ৰকাণ্ড শিয়াল। তেওঁৰ সেইদিনা আৰু উৎসৱ চোৱা নহ'ল। মঙ্গলদৈ চহৰৰ হস্পিতালত গৈ দেখে যে ইতিমধ্যে সেই শিয়ালটোৱে কামোৰা আন একৈশজন লোক তাত উপস্থিত হৈছেগৈ। শিয়ালটোৱে কামোৰা বাইছ নম্বৰ ব্যক্তিজন আছিল তেওঁ। তেওঁক কামুৰি শিয়ালটো সিপুৰী হ'ল। সাহসী আৰু অফুৰন্ত শক্তিৰ অধিকাৰী হোৱাৰ বাবেই তেওঁ এনেদৰে শাৰীৰিক শক্তি প্ৰদৰ্শন কৰিব পাৰিছিল।

চতিয়াৰ পৰা গুৱাহাটীলৈ আহি ঘৰৰ পৰা এপইচা ননাকৈ নিজৰ ভৰিৰ ওপৰতে ঠিয় দি তেওঁ আই.এ., বি.এ., এম.এ. আৰু বি.টি কে ধৰি উচ্চ শিক্ষাৰ ডিগ্ৰী কেইটা লাভ কৰিছিল। গুৱাহাটীলৈ আহি তেওঁ ছাল্লাই অফিচত সহায়কাৰী পদ এটি যোগাৰ কৰি লবলৈ সক্ষম হৈছিল আৰু দিনত চাকৰি কৰি ৰাতি বি. বৰুৱা কলেজত পঢ়িব লৈছিল। এম.এ. আৰু বি.টি পাছ কৰাৰ পিছত তেওঁ পিতৃৰ পদাংক অনুসৰণ কৰি ছাল্লাইৰ চাকৰি এৰি দি গুৱাহাটী ৰেলৱে হাইস্কুলত শিক্ষকতা কৰিবলৈ লৈছিল। ১৯৬৬ খৃষ্টাব্দত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত অধ্যাপকৰ পদত নিযুক্তি পোৱাত তেওঁ স্কুলৰ চাকৰি এৰি দি অৰ্থনীতি বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰেহি। তেতিয়া কিন্তু মহাবিদ্যালয় খনে চৰকাৰী অনুদান পোৱা নাছিল। ভেনচাৰ কলেজত আহি সোমাই তেওঁ এক নতুন জীৱনৰ পাতনি মেলেহি। পাছলৈ তেওঁ মুৰব্বী অধ্যাপক আৰু শেষত উপাধ্যক্ষ পদলৈ পদোন্নতি লাভ কৰে আৰু মৃত্যুৰ দিনলৈকে উপাধ্যক্ষৰ পদত থাকে।

মহাবিদ্যালয়ত থকা কালত ৺শৰ্মাৰ এটা গুণ সকলোৱে চকুত পৰিছিল। সেইটো হৈছে সময়মতে মহাবিদ্যালয়ত উপস্থিত হোৱা আৰু ক্লাচ-পাতি খতি নকৰা। নিজৰ কৰ্তব্যক হেলা কৰা বা কৰ্তব্যত ফাঁকি দিয়াটো তেওঁৰ স্বভাৱ নাছিল। পৰীক্ষা-পাতিৰ ক্ষেত্ৰত ডিউটিত উপস্থিত হোৱাত তেওঁ কেতিয়াও পলম নকৰিছিল। তেওঁৰ কৰ্তব্যপৰায়ণতা গুণটো সকলোৰে কাৰণে আদৰ্শ হোৱা উচিত। বিভাগীয় মুৰব্বী হিচাপে বিভাগটো চলোৱাত তেওঁ যোগ্যতাৰ পৰিচয় দিছিল আৰু কোনো কাৰণতে কাৰো লগত আপোচ নকৰিছিল। উপাধ্যক্ষ হিচাপে প্ৰশাসনীয় কাম-কাজতো তেওঁ দক্ষতাৰ পৰিচয় দিব পাৰিছিল।

এজন মিষ্টভাষী, সহজ-সৰল আৰু সৰবৰহী ব্যক্তিৰূপে ৺দেৱেন্দ্ৰ শৰ্মা সকলোৰে পৰিচিত আছিল। বকো অঞ্চলত তেওঁক নিচিনা বা নজনা মানুহ কমেইহে আছিল। মুখত মিঠা হাঁহিটো লৈ সকলোকে তেওঁ আপোন কৰিব পাৰিছিল। অধ্যাপক-অধ্যাপিকা বা কাৰ্য্যালয় সহায়কাৰী আদি সকলোৰে তেওঁ অতি প্ৰিয় আছিল। সেইকালৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱৰ লগতে আন আন অধ্যাপক-অধ্যাপিকাসকলে তেওঁৰ লগত যি হাঁহি-ধেমালি-ৰগৰ আদি কৰিছিল সেইবোৰৰ স্মৃতি তেওঁলোকে হয়তো নিশ্চয় সহজে পাহৰিব নোৱাৰিব। অধ্যাপক-অধ্যাপিকা বা কৰ্মচাৰী যিয়েই কোনো কামৰ কাৰণে তেওঁৰ সহায় বিচাৰিছিল- সেই সহায় তেওঁ কেতিয়াও নকৰাকৈ থকা নাছিল। 'অসম্ভৱ' শব্দটো তেওঁৰ অভিধানত নাছিল। তেওঁ কৰিম বোলা কামটো অতি সহজে কৰিব পাৰিছিল। অফিচ-কাচাৰীৰ কামো তেওঁ অতি সহজে কৰি আনিব পাৰিছিল।

অধ্যাপনাৰ লগতে তেওঁ মহাবিদ্যালয়ৰ অন্যান্য কামতো অংশ লৈছিল। তেওঁ অসম কলেজ শিক্ষক সন্থাৰ মহাবিদ্যালয় গোটত বহুবছৰ ধৰি সম্পাদক আৰু সভাপতিৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল। তেওঁ বহুবাৰ অসম কলেজ শিক্ষক সন্থাৰ বাৰ্ষিক অধিবেশনতো যোগদান

কৰিছিল। ছাত্ৰ একতা সভাতো তেওঁ তত্বাৱধায়ক হিচাপে দায়িত্ব পালন কৰিছিল। তেওঁৰ সান্নিধ্য বা উপস্থিতি কাৰো কাৰণেই অসহনীয় নাছিল। তেওঁৰ গাম্ভীৰ্য্যপূৰ্ণ উপস্থিতিয়ে পৰিবেশ সজীৱ কৰি ৰাখিছিল। মেল-মিটিং বা সভা-সমিতিত বক্তৃতা প্ৰদান কৰিবলৈ তেওঁ কুণ্ঠাবোধ নকৰিছিল। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ বকো শাখাৰ তেওঁ উপ সভাপতি আছিল। সেই সূত্ৰে মুম্বাইত হোৱা স্বৰ্ণজয়ন্তী বৰ্ষৰ ৰাষ্ট্ৰীয় অধিবেশনত তেওঁ যোগদান কৰিছিল আৰু প্ৰান্তীয় বৈঠকত তেওঁ ইংৰাজীত সুন্দৰ বক্তৃতা প্ৰদান কৰি সকলোৰে মনোযোগ আকৰ্ষণ কৰিব পাৰিছিল। খেলা-ধূলাৰ প্ৰতিও তেওঁৰ ৰাপ আছিল। ফুটবল তেওঁৰ বৰ প্ৰিয় আছিল। স্কুলীয়া জীৱনত তেওঁ ফুটবল ভাল খেলিছিল।

তেওঁ সামাজিক লোক আছিল যদিও ঘৰ-সংসাৰ বাদ দি ঘূৰি ফুৰা লোক তেওঁ নাছিল। তেওঁ অকাৰণত কেতিয়াও ঘূৰি নুফুৰিছিল। ল'ৰা-ছোৱালী তথা ঘৰ-দুৱাৰক লৈ তেওঁৰ ব্যস্ততা কম নাছিল। তেওঁ নিজে খাই ভাল পাইছিল আৰু ঘৰলৈ অহা অতিথিক খুৱায়ো তেওঁ ভাল পাইছিল। মনোৰমা ভাৰ্য্যাৰে সৈতে দুটি পুত্ৰ আৰু এটি কন্যাৰে ৺দেৱেন শৰ্মা এজন বৰ সুখী মানুহ বুলিয়ে পৰিচিত আছিল। কিন্তু বিধিৰ বিপাক ঘটি তেওঁৰ পত্নীৰ অকাল বিয়োগ ঘটিল আৰু সুন্দৰ সংসাৰখনতো আউল লাগিল। উপায়ন্তৰ হৈ তেওঁ দ্বিতীয় বিবাহ কৰিলে যদিও স্বাভাৱিক কাৰণতে ইয়াত প্ৰথম পক্ষৰ ল'ৰা-ছোৱালী কেইটা সিমান সন্তুষ্ট হ'ব পৰা নাছিল। গতিকে দ্বিতীয় বিবাহৰ পিছত তেওঁ কিমান দূৰ সুখী হ'ব পাৰিছিল সেইটো ক'ব পৰা নেযায়। যিয়েই নহওক - এটি পুত্ৰেৰে দ্বিতীয় পত্নীক দলনিত পোনা এৰাদি এৰি চাকৰিৰ কাৰ্য্যকাল শেষ নৌ হওঁতেই তেওঁ মাত্ৰ অলপ দিন অসুখত ভোগীয়ে মৃত্যুক সাৱটি ললে।

৺দেৱেন শৰ্মাৰ স্মৃতি এতিয়াও মহাবিদ্যালয়ত সজীৱ হৈ আছে। উৎসৱ-পৰ্ব আদিত তেওঁৰ কথা প্ৰায়েই ওলায়। তেওঁৰ সান্নিধ্য লাভ কৰাসকলে তেওঁক হয়তো সহজে পাহৰিব নোৱাৰিব। তেওঁৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক ! এয়ে আমাৰ ভগৱানৰ ওচৰত মিনতি। ❑

শ্ৰীমন্ত শংকৰে দি যোৱা সুকুমাৰ কলা, আলেখ্য, ভাস্কৰ্য্য, সংগীত, স্থাপত্যৰেই স্বৰূপ চাই, তাৰ বৈশিষ্ট্যতাৰ কাৰিকৰী বুজি-বাজি লৈ আজি অসমীয়া শিল্পীয়ে সাধনাৰে কলানৈপুণ্যতা, ৰূপদক্ষতা, সূক্ষ্মাতিতম কলা-কৌশলতা অৰ্জন কৰি যদি আজি নতুন যুগৰ অসমীয়া সুকুমাৰ কলা, পুৰণি অসমীয়া কলা-কৌশলৰ বৈশিষ্টতাৰ আলম লৈ সৃষ্টি কৰি তাৰ মাজেদি অসমীয়া সংস্কৃতিৰ বিশ্বৰূপৰ বিশ্ববিমোহন প্ৰকাশ কৰিব পাৰে — তেন্তে নিশ্চয়েই আমি অসমীয়া জাতিটো অকণমান হৈও এখণ্ড সৰু হীৰাৰ দৰে জ্বলি পৃথিৱী লখিমীৰ মুকুটত জ্বলি থাকি জগত পোহৰাম পাৰিম।

— জ্যোতিপ্ৰসাদ

# কম্পিউটাৰ আৰু ইয়াৰ শেহতীয়া বিপ্লৱ

শ্ৰীনয়ন মণি ঠাকুৰীয়া
উঃ মাঃ ১ম বৰ্ষ (কলা)

কম্পিউটাৰ এনে এটি বাস্তৱ সন্মত প্ৰযুক্তি যাৰ সহায়ত আমি নিজকে উন্নত কৰাৰ লগতে দেশকো এখোজ উন্নত দেশৰ লগত ফেৰ মাৰিব পৰাকৈ তৈয়াৰ কৰিব পাৰো। কম্পিউটাৰ সম্পৰ্কে অনেকৰ ধাৰণা যে, ইয়াৰ ব্যৱহাৰ কেৱল বিজ্ঞানৰ হিচাপ-নিকাচৰ বাবেহে। সঁচা কথা প্ৰথমতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিভিন্ন কঠিন গণনা আৰু বিভিন্ন আৰ্হি সজাৰ কামত ব্যৱহাৰ হৈছিল, কিন্তু এতিয়া কম্পিউটাৰৰ পৰিসৰ যথেষ্ট বহল। সৌ বিশাল মহাকাশৰ পৰা ভূ-গৰ্ভলৈকে, পৃথিৱীৰ উপৰি ভাগৰ পৰা সাগৰৰ তলিলৈকে, ব্যৱসায়িক, ঔদ্যোগিক প্ৰতিষ্ঠান আদি কৰি সকলোবোৰ বিষয় কম্পিউটাৰ কৰ্মসূচীৰ অন্তৰ্গত হৈছে। কম্পিউটাৰে অনা অন্যতম বৈপ্লৱিক পৰিৱৰ্তন হৈছে ইয়াৰ "কাৰ্য্য সম্পাদানৰ গতি"। পৃথিৱীৰ উন্নত দেশসমূহত কম্পিউটাৰে এক নতুন সমাজৰ বুনিয়াদ গঢ়িছে। কম্পিউটাৰ বিপ্লৱৰ প্ৰাৰম্ভিক বহল থলী। অতি উন্নত দেশসমূহত কৃষক, বনুৱা, ডাক্তৰ, অভিযন্তা, উকিল, লেখক, সকলোকে সামৰি লৈছে। ইতিমধ্যে আমাৰ তৃতীয় বিশ্বৰ দেশ ভাৰতকে আদি কৰি ৰাষ্ট্ৰ বিলাকেও কম্পিউটাৰ বহুলভাৱে ব্যৱহাৰ কৰিবলৈ ধৰিছে। শব্দগত অৰ্থৰ পৰা চালে অৱশ্যে আঙুলিৰ মূৰত হিচাপ কৰা মানুহকে 'digital computer' বুলিব পৰা যায়। কিন্তু কম্পিউটাৰ শব্দটো এতিয়া গণনা আৰু স্মৃতি শক্তি থকা এক বহুমুখী কাৰ্য্যসম্পন্ন এটা যুগান্তকাৰী প্ৰযুক্তি। অৱশ্যে প্ৰাচীন কালৰ পৰাই মানুহে যন্ত্ৰ ব্যৱহাৰ কৰি আহিছে গণনাৰ সহায়ক ৰূপে।

ঊনৈশ শতিকাৰ মাজভাগত এজন ইংৰাজ চাৰ্লছ বেবেজে পোনতে আধুনিক কম্পিউটাৰৰ বীজ সৃষ্টি কৰে। তেওঁৰেই প্ৰথমতে দীঘলীয়া গণনাৰ শাৰীবোৰ মনত ৰাখিব পৰা স্মৃতি ভৰাঁলৰো আঁচনি কৰে। অতি জটিল এই যন্ত্ৰ নিৰ্মাণৰ বাবে শেষৰ চোৱাত চৰকাৰী অনুদান হেৰোৱাৰ উপৰিও নিজৰ বহু সম্পত্তি হেৰুৱায়। কিন্তু ১৮৭১ চনত মৃত্যুৰ সময়লৈকে সৰ্বস্বান্ত হৈয়ো তেওঁ এই জটিল যন্ত্ৰ নিৰ্মাণ কৰিবলৈ চেষ্টা কৰিছিল। ১৮৯০ চনত হাৰ্মান হলৰিথ্ নামৰ এগৰাকী আমেৰিকান অভিযন্তাই যান্ত্ৰিক উপায়ে তথ্য সংৰক্ষণ আৰু বিচৰা সময়ত পোৱাৰ ব্যৱস্থা কৰি এটি যন্ত্ৰ সাজে। আৰু তাৰ ফলত জন্ম হয় IBM প্ৰতিষ্ঠানৰ। ১৯৩০ চনত কণৰাড জুছ্ নামৰ এজন ডেকা জাৰ্মান অভিযন্তাই এটি সহজ আৰু বহুমুখী কাৰ্য্যক্ষম কম্পিউটাৰ নিৰ্মাণ কৰে। ১৯৩৯ চনত বৃটেইনত নিৰ্মাণ হয় ক'লছাছ-১, নামৰ কম্পিউটাৰ। সেই একে সময়তে ষ্টিবিজ নামৰ এজন গণিতজ্ঞই এটা যন্ত্ৰ সাজি উলিয়ায়। আনহাতে আমেৰিকাৰ হাভাৰ্ড বিশ্ববিদ্যালয়ত IBM ৰ সহায়ত হাভাৰ্ড মাৰ্ক ১ নামৰ কম্পিউটাৰ নিৰ্মাণ হয়। পেনছিল ভেনিয়া বিশ্ববিদ্যালয়ত ড° মউ খলিৰ নেতৃত্বত সৃষ্টি হ'ল প্ৰথম ইলেক্ট্ৰনিক কম্পিউটাৰ 'ENIAC'। ইউনিভাক নামৰ প্ৰতিষ্ঠানে IBM কো চেৰ পেলাই ১৯৫১ চনত বজাৰলৈ উলিয়াই প্ৰথম ব্যৱসায়িক ইলেক্ট্ৰনিক কম্পিউটাৰ। আৰু এনেদৰেই ক্ৰমান্বয়ে এখোপ-এখোপকৈ উন্নতি হৈ আজি এই অৱস্থাত উপনীত হৈছে।

কম্পিউটাৰ নেটৱৰ্কৰ কাৰ্য্যাৱলী ঃ কম্পিউটাৰৰ লগত টেলি যোগাযোগ ব্যৱস্থাৰ আৰম্ভণি ঘটিছিল ১৯৪০ চনত নিউ হাম্পছায়াৰ ডাৰ্ট মাউথ কলেজৰ পৰা নিউয়ৰ্কৰ বেল লেবৰেটৰিৰ এটা গণনা যন্ত্ৰ লৈ।

ডঃ জৰ্জ ষ্টিবিংছে পোনতে এক তথ্য প্ৰেৰণ কৰিছিল। পোনতে কম্পিউটাৰৰ লগত Tele printer Terminel সংলগ্ন কৰিবলৈ Telegraph line ব্যৱহাৰ কৰা হৈছিল যদিও কিছুদিনৰ ভিতৰতে এই ব্যৱস্থাটোৰ সৈতে টেলিফোন সংলগ্ন কৰা হ'ল। তাৰ পিছতে সংযুক্ত হ'ল Communication Satellite বা উপগ্ৰহীয় যোগাযোগ। ফলস্বৰূপে পৃথিৱীৰ যিকোনো প্ৰান্তৰ কম্পিউটাৰবোৰৰ মাজত সংযোগ ব্যৱস্থা সহজ হৈ পৰিল।

তথ্য প্ৰেৰণৰ ক্ষেত্ৰত ধৰা হ'ল এটা পিঃছিঃ (PC — Personal Computer)ৰ পৰা আন এটা পিঃছিলৈ কিবা তথ্য প্ৰেৰণ কৰিব লাগে, ইয়াৰ বাবে প্ৰয়োজন,

ক) দুটা পিঃ ছিঃ (PC)
খ) দুটা মডিউলেটৰ ডিমডিউলেটৰ (চকুকৈ মডেম)
গ) এই মডেম দুটাৰ মাজত যোগাযোগ (তাঁৰ বা কৃত্ৰিম উপগ্ৰহ)

কম্পিউটাৰ ব্যৱস্থাত কম্পিউটাৰৰ সমগ্ৰ লেখন কাৰ্য্যাৱলী বাইনাৰী সংকেতৰ বাবে ব্যৱহৃত হয় মাত্ৰ দুটা সংকেত O আৰু 1। এতিয়া ধৰাহ'ল দশমিক পদ্ধতিত যদি আমি ২ক বুজাবলৈ '২' সংকেতটো ব্যৱহাৰ কৰো তেন্তে বাইনাৰীত ইয়াক বুজাবলৈ ব্যৱহাৰ কৰা হ'ব 1, O (উচ্চাৰণ ওৱান, জিৰ')। সকলো ধৰণৰ বৰ্ণ চিহ্ন বা সংখ্যাক কম্পিউটাৰে আভ্যন্তৰীণভাৱে বাইনাৰী ৰূপত বুজি পায়। যিকোনো এটা আখৰ যেতিয়া আমি কম্পিউটাৰ সংলগ্ন বৰ্ডৰ জৰিয়তে পৰ্দাত টাইপ কৰোঁ তেতিয়া লগে লগে তাক কম্পিউটাৰে ভিতৰুৱা ভাৱে এক বাইনাৰী ৰূপ দি লয়। এই ৰূপান্তৰিত সাংকেতিক চেহেৰাটোৰ নাম আ.ছ.কি. (American Standard Code for Information Interchange)। ধৰা হ'ল পৰ্দাত আমি Ok শব্দটো টাইপ কৰিলোঁ। এতিয়া Ok শব্দৰ আছকি ৰূপ হ'ব 'O'ৰ বাবে 01001111 আৰু 'k'ৰ বাবে 010010111 । এতিয়া কম্পিউটাৰে এই আছকি ৰূপটোৰ বাবে এক বৈদ্যুতিক সংকেতৰ সৃষ্টি কৰিব যাক কোৱা হয় ডিজিটেল সংকেত। আছকি সংকেতৰ চেহেৰাৰ ওপৰত নিৰ্ভৰ কৰি ডিজিটেল সংকেত বিলাক বেলেগ বেলেগ ধৰণৰ হ'ব। শব্দটোত আঠটা বাইনাৰী ডিজিট আছে আৰু ইয়াত 0 চাৰিটা আৰু 10 ৰ বাবে ভল্টেজৰ মান হ'ব, 0 আৰু 1 ৰ বাবে ভল্টেজ মান হ'ব এক নিৰ্দিষ্ট। এই ভল্টেজ মানৰ high বা low ৰ দ্বাৰা নিৰূপিত হ'ব '0' নিৰ্দিষ্ট ডিজিটেল সংকেত। একেদৰে k ৰ বাবে হ'ব আন এক ডিজিটেল সংকেত। কি বৰ্ডত Ok শব্দটো টাইপ কৰাৰ লগে লগে Ok ৰ ডিজিটেল সংকেত তৈয়াৰ হ'ব আৰু ই প্ৰথম পি.ছি.ৰ পৰা প্ৰথম মডেমলৈ (পি.ছি সংলগ্ন মডেমলৈ) গুচি যাব। এই মডেম ৰ পৰা ওলাব আন লগ সংকেত। এই সংকেত ডিজিটেলৰ সংকেতৰ নিচিনা কেৱল দুটা মানৰ (high-low) নহৈ শব্দৰ প্ৰকাৰ ভেদে বেলেগ বেলেগ মানৰ হ'ব । এই সংকেত গুচি যাব টেলিফোন লাইনলৈ, টেলিফোনৰ দ্বাৰা প্ৰেৰিত এই সংকেত দ্বিতীয় মডেমে গ্ৰহণ কৰে। এই মডেমে আনলগ সংকেতক ডিজিটেল সংকেতলৈ ৰূপান্তৰিত কৰিব। এই ডিজিটেল সংকেতে এইবাৰ দ্বিতীয় পি.ছি.লৈ আহি আৰু তাৰ আভ্যন্তৰীণ কাৰ্য্যাৱলীৰ দ্বাৰা 'আছকি' ৰূপটো পুনৰুদ্ধাৰ হৈ পৰ্দাত 'Ok'ৰ মূল ৰূপটো দৃশ্যমান হ'ব।

কম্পিউটাৰ নেটৱৰ্ক মূলতঃ তিনি প্ৰকাৰৰ —

ক) লোকেল এৰিয়া নেটৱৰ্ক (LAN)
খ) মেট্ৰপলিটান এৰিয়া নেটৱৰ্ক (MAN)
গ) ৱাইড এৰিয়া নেটৱৰ্ক (WAN)

প্ৰতিবিধ নেটৱৰ্কে ইয়াৰ নাম অনুসাৰে ইয়াৰ ক্ষেত্ৰ সামৰি লয়। এনেকুৱা নেটৱৰ্ক পৰস্পৰ যুক্ত হৈ তৈয়াৰ হৈছে নেটৱৰ্কৰ এখন বিশাল জগত। ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলে নেটৱৰ্কৰ জৰিয়তে তথ্য সমূহৰ পৰা মনে বিচৰা তথ্য ব্যক্তিগত পি.ছি. (PC – Personal Computer)ৰ স্মৃতিত মজুত কৰি ৰাখিব পাৰে আৰু প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ কৰিব পাৰে। তথ্যৰ নিয়মিত যোগান পাবলৈ ইণ্টাৰনেট ব্যৱস্থা থকাটো জৰুৰী।

**INTERNET : —**

কম্পিউটাৰৰ শেহতীয়া বিপ্লৱ হ'ল ইণ্টাৰনেট। এতিয়া আমাৰ মাজলৈ আহিছে নিউবি, আপল'ড ৱেবছাইট, চাইবাৰ স্পেছ, আদি নতুন শব্দ। এই শব্দবোৰ ক্রমান্বয়ে জনপ্রিয় হৈ আহিছে। ইণ্টাৰনেট ব্যৱস্থাৰ কাৰণে এই শব্দবোৰৰ আগমণ হৈছে। আমি এই শব্দবোৰ জানিবলৈ হ'লে ইণ্টাৰনেট কি জানিব লাগিব। আমি সচৰাচৰ কোনো খবৰ জানিবলৈ এক বিশেষ কড নম্বৰ ব্যৱহাৰ কৰি কোনো বিশেষ টেলিফোনলৈ ফোন কৰো। ধৰাহ'ল আমাক বেলেগ বেলেগ বিষয় জানিবলৈ দহটা এনেকুৱা টেলিফোন উৎসৰ প্ৰয়োজন, য'ত প্ৰতিবিধ উৎসই আনবোৰ উৎসৰ পৰা খবৰ সংগ্ৰহ কৰে। এই প্ৰত্যেকটো টেলিফোন অধিকৰ্তাৰ ওচৰত বাকী নটা টেলিফোনৰ কড নম্বৰ, নাম ঠিকনা আৰু বিষয়ৰ সবিশেষ লিখা থাকিব। এতিয়া যিকোনো এটা উৎসই কোনো বিষয়ৰ তথ্য জানিবলৈ এই দহটা টেলিফোনৰ এটা বিশেষ কড নম্বৰ ডায়েল কৰি তেওঁ বিচাৰি থকা তথ্যৰ সন্ধান কৰিব পাৰে। তথ্যৰ আধিক্য বঢ়াবলৈ এই টেলিফোন নেটৱৰ্কৰ লগত আৰু বেছি টেলিফোন সংযোগ কৰি এই নেটৱৰ্কৰ গ্ৰাহক সংখ্যা আৰু তথ্যৰ পৰিমাণ আৰু বৃদ্ধি কৰিব পাৰি। যদিও এই ব্যৱস্থা কাল্পনিক আৰু এই ব্যৱস্থাত তথ্যৰ যোগান মৌখিকভাৱে অতি লেহেমীয়া গতিত সংগঠিত হয়। মোটামুটিভাৱে ইণ্টাৰনেট ব্যৱস্থাত ঠিক এনেকুৱা। অৰ্থাৎ ধৰাহ'ল এই টেলিফোন সমূহৰ ঠাইত কিছুমান ব্যক্তিগত কম্পিউটাৰ যুক্ত কৰি দিয়া হ'ল। এতিয়া এই দহটা কম্পিউটাৰ সংলগ্ন কম্পিউটাৰ নেটৱৰ্কটো, আগতে কোৱা টেলিফোন নেটৱৰ্কটোৰ দৰে অথচ দ্ৰুত আৰু দৃশ্য গ্ৰাহ্য পৰ্য্যায়ত তথ্যৰ যোগান ধৰিবলৈ সক্ষম হয়। তাৰ ফলত আমি কোনো বিশেষ তথ্য বিচাৰি (যিবোৰ তথ্য বাকী নটা কম্পিউটাৰৰ যিকোনো এটা বা তাতকৈ অধিকত মজুত আছে) আন এটা Computer Code নম্বৰ বৃৱহাৰ কৰিম তেতিয়া সেই কড নম্বৰৰ কম্পিউটাৰটোৱে আমালৈ তথ্য দূৰসঞ্চাৰ মাধ্যমেৰে প্ৰেৰণ কৰিব আৰু সেই তথ্য Computer Monitor ত দেখা পাম। প্ৰয়োজন সাপেক্ষে আমি এই তথ্য কম্পিউটাৰত সংলগ্ন ছপা যন্ত্ৰৰ সহায়ত ছপা কৰি লব পাৰো। এনেকুৱা এক কম্পিউটাৰ নেটৱৰ্কৰ লগত সমগ্ৰ বিশ্বৰ অসংখ্য কম্পিউটাৰ সংলগ্ন হৈ তথ্য সংগ্ৰহৰ যি এক অভূতপূৰ্ব ব্যৱস্থা গঢ় লৈ উঠিছে তাক কোৱা হয় ইণ্টাৰনেট্ (Internet)। প্ৰকৃত পক্ষে ইণ্টাৰনেট কোনো এক যন্ত্ৰ নহয়। ই এটা শৃংখল প্ৰণালী (chain system)। ই হৈছে তথ্য সৰবৰাহৰ এক প্ৰণালী যুক্ত computer ব্যৱস্থা। এই প্ৰণালীটোৰ সংঘবদ্ধ ব্যৱস্থাবোৰ এনেধৰণৰ

(ক) তথ্য ভাণ্ডাৰ (খ) তথ্য ভাণ্ডাৰৰ পৰা তথ্য সংগ্ৰহৰ বাবে প্ৰয়োজন টেলিফোনযুক্ত ব্যক্তিগত কম্পিউটাৰ (গ) গ্ৰাহক ইণ্টাৰনেটৰ জৰিয়তে আহৰণ কৰা তথ্য সমূহ এনেধৰণৰ — (১) চিঠি-পত্ৰ আদান-প্ৰদান (২) পৃথিৱীৰ বিভিন্ন অঞ্চলৰ, বিভিন্ন বিষয়ৰ তথ্য সংগ্ৰহ (৩) অধ্যয়ন আৰু গৱেষণাৰ বাবে প্ৰয়োজনীয় তথ্য সংগ্ৰহ (৪) কম্পিউটাৰ গেম খেলা (৫) বিভিন্ন বিনোদনধৰ্মী অনুষ্ঠান উপভোগ কৰা বা তাত অংশ গ্ৰহণ কৰা, (৬) পত্ৰ বন্ধুৰ দৰে ইণ্টাৰনেট বন্ধুৰ লগত আলাপ-আলোচনা কৰা, (৭) ব্যৱসায়ীক লেনদেন বা আলোচনা ইত্যাদি। যদিও কম্পিউটাৰ ইণ্টাৰনেট আদিৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী তথাপি এই বিলাকৰ কিছুমান দোষ আছে। আৰু এই দোষ বিলাকে সমাজৰ ওপৰত বেয়া প্ৰভাৱ পেলাইছে। তৃতীয় বিশ্বৰ যুৱ প্ৰজন্মসকল দ্ৰুতভাৱে নগ্ন সংস্কৃতিৰ প্ৰতি আকৰ্ষিত হ'বলৈ ধৰিছে। ইণ্টাৰনেটত বিনোদনৰ নামত যুৱ প্ৰজন্মৰ মাজত প্ৰচুৰ জনপ্ৰিয় হৈ উঠা বিভিন্ন পৰ্ণগ্ৰাফিক চিনেমা আৰু ছবিয়ে বাধাহীনভাৱে গঢ়ি তুলিছে এই নগ্ন সংস্কৃতি। ভাৰতবৰ্ষৰ দৰে দেশ সমূহে এই ব্যৱস্থাৰ নেতিবাচক দিশসমূহ সঠিক সময়ত সঠিকভাৱে পৰ্য্যালোচনা কৰাটো প্ৰয়োজনীয়।

*("কম্পিউটাৰৰ চমু অভিযান, — প্ৰান্তিক"ৰ সহায় লৈ)*

# এইড্‌ছ আৰু সাৱধানতা

শ্ৰীজগদীশ চন্দ্ৰ নাথ
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

পা তনি ঃ এইড্‌ছ — সম্পূৰ্ণ নাম — "একুৱাৰ্ড ইমিউন ডেফিচিয়েঞ্চি চিনড্ৰ'ম"। এইড্‌ছ এবিধ ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হোৱা ভয়াবহ ৰোগাৱস্থা। পৃথিৱীৰ অতি ভয়াবহ ৰোগ-বোৰৰ ভিতৰত ই অতি ভয়াবহ হিচাপে চিহ্নিত হৈছে। ১৯৫৯ চনত মধ্য আফ্ৰিকাৰ জাইৰিৰ কিনছাহছা চহৰত পোনপ্ৰথমে এইৰোগ হৈছিল যদিও সেই সময়ত সঠিকভাৱে নিৰূপণ হোৱা নাছিল। ১৯৮১ চনৰ জুন মাহত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ আটলাণ্টাত থকা ৰোগ প্ৰতিৰোধ কেন্দ্ৰটোত পাঁচজন ৰোগীক ভৰ্ত্তি কৰোৱা হৈছিল। এই আটাইকেইজন ৰোগী আছিল লছ এনজেলছ চহৰৰ সমকামী লোক। এই ৰোগী কেইজনৰ দেহত চিকিৎসাৰ কোনো ফল নধৰাকে ধৰি কিছুমান বিশেষ চৰিত্ৰ ৰোগীৰ দেহত ধৰা দিয়ে। তাৰ পিছত সমকামীৰ মাজত এই ৰোগৰ অনুসন্ধান চলোৱা হয় আৰু নিউইয়ৰ্ক চহৰৰ বহুতো সমকামীৰ মাজত এই ৰোগ ধৰা পৰে। ১৯৮২ চনত উক্ত কেন্দ্ৰটোৱে এই ৰোগক এইড্‌ছ (Acquired Immune Deficiency Syndrome) নামেৰে নামকৰণ কৰে। এইড্‌ছৰ অৰ্থ হ'ল দেহৰ উপাৰ্জিত ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস হোৱাৰ ফলত দেখা দিয়া বিভিন্ন ৰোগৰ লক্ষণৰ সমষ্টি। পৃথিৱীৰ প্ৰায় সকলোবোৰ দেশতে এই ৰোগ ধৰা পৰিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ (WHO) মতে বৰ্তমান বিশ্বত এই ৰোগীৰ সংখ্যা ৪০ নিযুত হোৱাৰ সম্ভাৱনা আছে।

<u>ৰোগৰ কাৰণ</u> ঃ এইচ আই ভি (হিউমেন ইমিউন ডেফিচিয়েঞ্চি ভাইৰাচ) নামৰ এবিধ ভাইৰাছ এই ৰোগৰ কাৰণ। ১৯৮৩ চনৰ শেষ ভাগত পেৰিছৰ পেষ্টিউৰ ইনষ্টিটিউতত গৱেষণা কৰা লা মন্টগিয়াৰ আৰু তেওঁৰ সতীৰ্থসকলে এই ভাইৰাছ আৱিষ্কাৰ কৰে। ১৯৮৪ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ চিকিৎসা বিজ্ঞানী ৰবাৰ্ট গেল্' আৰু তেওঁৰ সহকৰ্মীয়েও এই ভাইৰাছ আৱিষ্কাৰ কৰে। ১৯৮৬ চনত আন্তৰ্জাতিক কমিটি এখনে ভাইৰাছক নামকৰণ কৰে আৰু এইবিধ ভাইৰাছৰ প্ৰধানকৈ দুটা প্ৰকাৰ (যেনে - এইচ আই ভি$_1$ আৰু এইচ আই ভি$_2$) এইড্‌ছত পোৱা গৈছে।

<u>এইড্‌ছ ৰোগ কেনেকৈ বিয়পে</u> ঃ এই ৰোগ সৃষ্টি হোৱাৰ প্ৰক্ৰিয়া সমূহ হ'ল —

১) যৌন ক্ৰিয়াৰ দ্বাৰা
২) দূষিত বেজী কেইবাজনেও ব্যৱহাৰ কৰাৰ ফলত।
৩) সৎ দূষিত তেজ আৰু তেজজাত দ্ৰব্য সংচৰণৰ দ্বাৰা।
৪) এইচ আই ভি ভাইৰাছৰ দ্বাৰা আক্ৰান্ত ব্যক্তিৰ অংগ অন্য সুস্থ লোকৰ দেহত সংস্থাপন কৰিলে।
৫) গৰ্ভৱতী মাতৃৰ পৰা সন্তানলৈ যোৱাৰ ফলত।

এইচ আই ভি ভাইৰাছৰ দ্বাৰা আক্ৰান্ত ব্যক্তিৰ জননেন্দ্ৰিয়ৰ পৰা নিঃসৰিত দ্ৰব্য আৰু তেজত ভাইৰাছ বিধ প্ৰধানকৈ থাকে। এনে দ্ৰব্য অন্য সুস্থ ব্যক্তিৰ দেহত সোমালে ভাইৰাছ বিধৰো দেহত প্ৰবেশ ঘটে।

ওপৰত উল্লেখ কৰা প্ৰক্ৰিয়া সমূহৰ ভিতৰত প্ৰথমটো প্ৰক্ৰিয়াৰ দ্বাৰা ৬০ ৰ পৰা ৭০ শতাংশ আক্ৰান্ত হ'ব পাৰে। এইচ আই ভি ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হৈ থকা ব্যক্তিৰ লগত অসাৱধানতাৰে হোৱা যি কোনো ধৰণৰ যৌনক্ৰিয়াৰ ফলত এইবিধ ভাইৰাছ বিয়পিব পাৰে। এইবিধ ভাইৰাছ যৌনক্ৰিয়াৰ উপৰি সমলৈংগিকতা বা সমকামিতাৰ ফলতো আমাৰ মাজত

বিয়পিব পাৰে। তাৰোপৰি দূষিত বেজী আৰু তেজ আদান-প্ৰদানৰ দ্বাৰাও এই ৰোগ বিয়পিব পাৰে। এইচ আই ভি ভাইৰাছৰ দ্বাৰা আক্ৰান্ত মাতৃৰ পৰা গৰ্ভৱতী অৱস্থাতে সন্তানলৈ এই ভাইৰাছ যোৱাৰ উপৰি মাতৃদুগ্ধৰ যোগেদি এইবিধ ভাইৰাছ বিয়পিব পাৰে। ওপৰোক্ত কাৰণটোত ২০ ৰ পৰা ৩০ শতাংশ আক্ৰান্ত হ'ব পাৰে আৰু ৮০ শতাংশই জন্মৰ পৰা ৫ দিনৰ ভিতৰত এইড্ছ হৈ মৃত্যু হ'ব পাৰে।

বয়স আৰু এইড্ছ ঃ যি কোনো বয়সৰ ব্যক্তি এইচ আই ভি ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হ'ব পাৰে। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মতা মানুহৰ মাজত হোৱা ৰোগী সমূহৰ বেছি ভাগে ২৫ ৰ পৰা ৪৫ বছৰ বয়সৰ ভিতৰত। যৌন কৰ্মত সক্ৰিয় হৈ থকা সময়ছোৱাত এই ৰোগ হোৱাৰ সম্ভাৱনা প্ৰকট।

লক্ষণ ঃ এই বীজাণু দেহত প্ৰবেশ কৰাৰ পিছত ৩ৰ পৰা ১৪ বছৰ পৰ্য্যন্ত পিছতো এই ৰোগ হ'ব পাৰে। এই ৰোগৰ প্ৰকৃততে নিজা লক্ষণ নাই। সাধাৰণতে দীৰ্ঘদিন ধৰি থকা জ্বৰ, হাগনি, শুকাই-ক্ষীণাই যোৱা, নিউম'নিয়া, ঘা, ইত্যাদি লক্ষণ দেখা যায়। কেতিয়াবা ৰোগীৰ স্মৃতি শক্তিও হ্ৰাস পায় আৰু মেননজাইটিছ, এনকেফেলাইটিছ আদি লক্ষণ দেখা যায়।

কাৰ্য্যকাল আৰু মৃত্যুৰ হাৰ ঃ পূৰ্ণ পৰ্য্যায়ৰ এইড্ছ ৰোগী এজন কিমান দিন জীয়াই থাকিব সেইটো বিশেষভাৱে নিৰ্ভৰ কৰে তেওঁৰ ঘৰুৱা পৰিৱেশ, চিকিৎসা ব্যৱস্থা, পৰিপুষ্টি, মানসিক প্ৰস্তুতি আদিৰ ওপৰত। অৱশ্যে পূৰ্ণ পৰ্য্যায়ৰ এইড্ছ ৰোগী এজন ৩-৫ বছৰলৈ জীয়াই থাকিব পাৰে।

চিনাক্তকৰণ ঃ দীৰ্ঘদিন ধৰি চিকিৎসাৰ কোনো ফল নধৰিলে বা ৰোগৰ প্ৰকৃত কাৰণ ধৰিব নোৱাৰিলে এই ৰোগ হোৱা বুলি সন্দেহ হয়। বৰ্তমান আমেৰিকাৰ টেক্সাছ বিশ্ববিদ্যালয়ৰ অনুজীৱ বিজ্ঞান বিভাগে এইড্ছ ৰোগ নিৰ্ণয় কৰিবলৈ "মাইক্ৰ'স্লাইড এলিছা" নামৰ পদ্ধতি উদ্ভাৱন কৰিছে। মাত্ৰ ডেৰ ঘণ্টাৰ ভিতৰত আৰু কম খৰছত এই ৰোগ চিনাক্ত কৰিব পাৰি।

চিকিৎসা ঃ এইড্ছ ৰোগৰ চিকিৎসাৰ বাবে নিৰ্দিষ্ট কোনো ঔষধ নাই। কিছুমান প্ৰতিবিধান (এন্টিভাইৰেল) ঔষধ ব্যৱহাৰ কৰিলে এই ৰোগ সাময়িকভাৱে উপশম হয়। কিন্তু এই ঔষধ অতি ব্যয়বহুল। লক্ষণৰ ওপৰত ভিত্তি কৰি চিকিৎসা কৰিলেও বিশেষ কাম নিদিয়ে। এই ৰোগীক পুষ্টিকৰ খাদ্য দিয়া, মানসিকভাৱে সবল কৰি তোলা আৰু সামাজিকভাৱে যাতে বৰ্জিত অনুভৱ নহয় তাৰ বাবে লক্ষ্য ৰখাটো প্ৰয়োজনীয়।

আমাৰ কৰ্তব্য ঃ এইড্ছ অতি মাৰাত্মক। গতিকে ইয়াৰ প্ৰতি সচেতন হোৱাৰ লগতে সাৱধানতাৰ অতি প্ৰয়োজন। এইবোৰ হ'ল —

১। এইড্ছৰ প্ৰতি সচেতন হওঁক, আনকো সচেতন কৰি তোলক।
২। এইচ আই ভিৰ উৎস সমূহৰ পৰা আঁতৰি থাকক।
৩। অচিন ব্যক্তি বা গণিকাৰ সতে যৌন সম্পৰ্কত লিপ্ত নহ'ব।
৪। গণিকা বৃত্তি অবলম্বনত বাধা দিয়ক।
৫। যৌন সম্পৰ্কীয় সস্তীয়া কিতাপ, বোলছবি আদিৰ দ্বাৰা প্ৰলোভিত নহ'ব।
৬। শিশু শ্ৰমিকৰ পৰা গৈ যৌন কৰ্মী হোৱাত বাধা দিয়ক।
৭। নিচাযুক্ত ঔষধৰ কবলত নপৰিব বা আনকো পৰিব নিদিব।
৮। ভালকৈ পৰীক্ষা কৰাৰ পাছতহে তেজৰ সংচৰণ ঘটাওক।
৯। দেহত অচিনাকী ব্যক্তিৰ অংগ প্ৰতিস্থাপন নকৰিব।

*(অসম বিজ্ঞান সমিতিৰ দ্বাৰা আয়োজিত বিশেষ শিবিৰ আৰু অসম বিজ্ঞান সমিতিৰ দ্বাৰা প্ৰকাশিত পুস্তিকাৰ সহায়লৈ)*

# আধুনিক কবিতাৰ সন্ধানত

শ্রীদেৱজিৎ ববা
স্নাতক ২য় বর্ষ (কলা)

মানৱ অন্তৰৰ সুকুমাৰ অনুভূতি প্ৰকাশৰ একোটা নিজস্ব মাধ্যম আছে। কেতিয়াবা কোনোবাজনে ৰং-তুলিকাৰে, কোনোবাজনে সুৰৰ মাজেৰে, কোনোবাই অভিনয় আদি মাধ্যমেৰে আকৌ কোনোজনে লেখাৰ মাজেৰে প্ৰকাশ কৰিছে এই অনুভূতি। কবিতা মানুহৰ কল্পনা শক্তি আৰু সৃজনীশীল অন্তৰৰ সুন্দৰতম প্ৰকাশ, মানুহৰ নিভৃত মন আৰু ব্যাকুল হৃদয়ৰ অনিবৰ্চনীয় বাণী। প্ৰাত্যহিক জীৱনৰ হাঁহি-কান্দোন, সুখ-দুখ, আশা-নিৰাশাৰ অভিজ্ঞতাসমূহ কবিতাৰ মাজেৰে উদ্ভাসিত হৈ উঠে। মানুহৰ দুৰ্দিন-দুৰ্যোগৰ মাজতো কবিতাই চঞ্চল কৰি ৰাখে মানুহৰ মন, হৃদয়, স্বপ্ন আৰু কল্পনাৰ পৃথিৱী।

মহাকবি বাল্মিকীৰ অমৃত কণ্ঠেৰে নিসৃত হৈছিল পৃথিৱীৰ আদি কবিতা ঃ "মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতী সমাঃ। যৎ ক্ৰৌঞ্চমিথুনাদেকমৱধীঃ কামমোহিতম্ ॥" সেই তাহানিৰ পৰাই কবিতা আছে আৰু আগলৈয়ো থাকিব। কবি নৱকান্ত বৰুৱাই কৈছে,

"ভয় নাই ....... এতিয়াও
মৈথুন আৰু শস্যৰ প্ৰয়োজন থকালৈকে
থাকিব মানুহ, আৰু
কবিতা থাকিব মানুহৰ ৰখীয়া হৈ"

যুগৰ পৰিবৰ্তন, মানৱ জীৱনৰ জটিলতা, জীৱন সম্বন্ধে নতুন দৃষ্টিভঙ্গী আদিৰ পৰিৱৰ্তনৰ লগে লগে কবিতাৰ ভাষা, আঙ্গিক আদিও পৰিবৰ্তন হৈ আছে।

ফ্ৰয়দৰ মনস্তত্ববাদ, মাৰ্ক্সৰ বৈজ্ঞানীক সমাজবাদ আদি যুগান্তকাৰী আৱিষ্কাৰে সমাজৰ সংবেদনশীল মানৱ-হৃদয়ত এক প্ৰকাৰৰ দ্বন্দ্ব ওপজালে। এইবোৰৰ পৰা কবিসকলো প্ৰভাৱিত হ'ল, ফলত কবিতাৰ ভাববস্তুৰ লগতে ছন্দ, শব্দচয়ন, অলংকাৰ আদিৰ ক্ষেত্ৰত এক ধৰণৰ পৰিবৰ্তন আহি পৰিল। আধুনিক জীৱনৰ চিন্তা-চৰ্চা, ধ্যান-ধাৰণাই জীৱনৰ মূল্যবোধক জটিলৰ পৰা জটিলতৰ কৰি তোলাত জীৱনবোধৰ সম্পৰ্ক কবিতাত সূক্ষ্ম আৰু ব্যঞ্জনাময় ৰূপত প্ৰকাশিত হ'বলৈ ধৰিলে। শিক্ষাৰ সম্প্ৰসাৰণ, পৰিবৰ্তিত সামাজিক ব্যৱস্থা আৰু বিস্তৃত মানসিক অৱস্থাই বাস্তৱ জীৱন আৰু বস্তুবাদী জগত সম্পৰ্কে আধুনিক যুগৰ মানুহৰ ধ্যান-ধাৰণা বহুখিনি সলনি কৰি পেলালে। এইবোৰৰ প্ৰভাৱ কবিতাৰ ওপৰতো পৰিল।

আধুনিক যুগৰ কবিসকলে ৰমন্যাসিক যুগৰ আৱেগ-প্ৰৱনতাক পৰিহাৰ কৰি যুক্তিসন্মত বিচাৰ-বিশ্লেষণেৰে তেওঁলোকৰ কল্পনাশক্তি আৰু আৱেগ-অনুভূতিৰে আধুনিক কবিতা সৃষ্টি কৰিবলৈ সফল চেষ্টা চলালে। আধুনিক কবিসকলে ব্যক্তিকেন্দ্ৰীকতাৰ প্ৰকাশৰ বিপৰীতে বস্তুগত ৰূপ আৰু বাস্তৱতাৰ ভাৱ-ব্যঞ্জনা প্ৰকাশৰ ওপৰত গুৰুত্ব দিবলৈ ধৰিলে। মানৱ জীৱনৰ সামাজিক সত্যৰ প্ৰতি থকা এক বাৰ্তা আধুনিক কবিতাৰ প্ৰধান বৈশিষ্ট্যৰূপে বিবেচিত হ'ল। আধুনিক কবিতাৰ কাব্যিক সৌন্দৰ্য্য কেৱল আংগিক শৈলীৰ ওপৰতে নিৰ্ভৰ নকৰে। জীৱনৰ অভিজ্ঞতাৰ জৰিয়তে দাঙি ধৰিব পৰা কবিতাৰ মৰ্ম কথা তথা বক্তব্যৰ নিটোল ৰূপটোৰ মাজত প্ৰকাশিত চিন্তাৰ সূক্ষ্ম ব্যঞ্জনাতে কাব্যিক সৌন্দৰ্য্য বিচাৰ কৰি চোৱা যায়।

আধুনিক কবিতাৰ ভাষা, প্ৰতীক কল্পচিত্ৰ আদিয়ে আধুনিকতাৰ বিচাৰ-বিশ্লেষণক প্ৰসাৰিত কৰি আহিছে। আধুনিক কবিসকলে বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ ভিত্তিত মানুহৰ জীৱনবোধক ভাস্বৰিত কৰি কবিতাক এক শিল্পকৰ্ম ৰূপে গঢ়ি তুলিলে। কবিতা হৈ পৰিল যেন

জীৱনৰ শিল্প। এইক্ষেত্ৰত কবিতাৰ ভাষাৰ কথা ক'ব পাৰি। কবিতাৰ ভাষা আৰু গদ্যৰ ভাষাৰ মাজত এক তফাৎ আছে। সাধাৰণতেই কবিতাৰ ভাষা সুসংহত আৰু সংযত। ফৰাচী কবি পল ভেলেৰীয়ে কবিতাৰ ভাষা সম্পৰ্কত এইদৰে কৈছে যে কবিতাৰ ভাষা ধ্বনিময় আৰু বিচিত্ৰময় হ'ব লাগে। সভ্যতাৰ বিভিন্ন স্তৰ পাৰ হৈ আহি আজি আমি য'ত উপস্থিত হৈছোহি, এই উপস্থিতি মুহূৰ্তৰো এটা ভাষা-ভঙ্গী আছে। আজিৰ এই যুগত আজিৰ যুগৰ মানুহৰ ভাষা-ভংগীৰেই কথা ক'ব লাগিব। ভাষা সকলোৱে ব্যৱহাৰ কৰে যদিও ভাষাৰ মাজত প্ৰকাশৰ অৰ্থ কিমান নিহিত আছে, তাৰ সন্ধান কৰে কবি-সাহিত্যিকসকলে।

প্ৰতীকি গুণৰ দ্বাৰা কথিত ভাষাৰ সামঞ্জস্য ৰাখি কবিতাৰ ভাষাক ব্যঞ্জনাময় ভাষালৈ ৰূপান্তৰিত কৰিবলৈ বিছৰাতো উচিত বুলি কবি-সমালোচকসকলে ক'ব খোজে। এইটো সকলোৱে মানি লৈছে যে ইঙ্গিতময়তাই হ'ল কবিতাৰ ভাষাৰ প্ৰতীকি গুণ। কথিত ভাষাক গ্ৰহণ কৰি পৰিশীলিত ৰূপ দিব পৰাটোৱে এজন কবিৰ সাৰ্থকতা।

আধুনিক কবিতা সম্পৰ্কে আলোচনা কৰোতে বহুতো সমালোচকে আধুনিক কবিতাৰ বিৰুদ্ধে সততে অনা অভিযোগ এটি হ'ল ইয়াৰ দুৰ্বোধ্যতা। এই অভিযোগ কিছু পৰিমাণে বৰ্তমান সময়ত হ্ৰাস পাবলৈ ধৰিছে যদিও দুৰ্বোধ্যতা সম্পৰ্কে নানা বিতৰ্ক চলিয়ে আছে। ইয়াৰ ওৰ পৰাবো সম্ভাৱনা নাই। প্ৰকৃততে আধুনিক কবিতাৰ বিৰুদ্ধে অনা এই অভিযোগটি সম্পূৰ্ণ সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। দুৰ্বোধ্যতা- এই শব্দটোৰ মাজত এক ধৰণৰ ৰুক্ষতা বিৰাজমান। জীৱনৰ বিভিন্ন ক্ষেত্ৰত দুৰ্বোধ্য শব্দটোৰ প্ৰয়োগলৈ মন কৰিলে দেখা যায় যে ই সাধাৰণতে অবোধ্য বা জটিলতা আদি শব্দৰ লগত এক ধৰণৰ পাৰ্থক্য ৰক্ষা কৰি চলে। কোনো এটা বিষয় জটিল বুলি ক'লে, বিষয়টোৰ সম্পৰ্কে কিবা এটা ইঙ্গিত পালেই যেন বিষয়টো বুজাৰ সম্ভাৱনা নিহিত থাকে। কিন্তু দুৰ্বোধ্য বুলিলে সকলোধৰণৰ চেষ্টাৰ অন্তত বিষয়টো বুজিব পৰা নগ'ল, এনেধৰণৰ এটা ভাৱকে সূচায়। কবিতাৰ ক্ষেত্ৰটো যেতিয়া দুৰ্বোধ্য শব্দটোৰ প্ৰয়োগ হয়, তেতিয়াও এনেধৰণৰ এক তিক্ততা নিহিত থাকে। আচলতে আধুনিক কবিতা বুজাত কিছু জটিল, কিন্তু দুৰ্বোধ্য নহয়।

আগতেই আলোচনা কৰি অহা হৈছে যে আধুনিক মানৱ জীৱন অতি জটিল আৰু ইয়াৰ পৰিসৰ বহল। আধুনিক কবিসকল অধিক অধ্যয়নশীল আৰু চিন্তাশীল। তেওঁলোকে কবিতাক আৱেগৰ বস্তু বুলি নাভাবি, গভীৰ অনুশীলন আৰু মননৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁলোকে কবিতা নিৰ্মাণ কৰে হৃদয় আৰু মগজুৰ দ্বাৰা। সমাজতত্ত্ব, ৰাজনীতি, অৰ্থনীতি আদি বিষয়বস্তু সম্পৰ্কে আধুনিক কবিসকলৰ আছে গভীৰ জিজ্ঞাসা। সেই হেতু তেওঁলোকৰ এই বিষয়ে চিন্তা-চৰ্চা সমূহ কবিতাৰ মাজলৈও নামি আহিছে। গতিকে এনেক্ষেত্ৰত কবিতাৰ মাজলৈ কিছু জটিলতা অহাটো স্বাভাৱিক। কিন্তু এই জটিলতাই আধুনিক কবিতাৰ ৰস গ্ৰহণত প্ৰতিবন্ধকতাৰ সৃষ্টি নকৰে নিশ্চয়। বিশিষ্ট সমালোচক ড° হীৰেন গোহাঁইয়ে কৈছে, "কবিতাৰ সূক্ষ্ম, ৰসগ্ৰাহী, অথচ গভীৰ মনোযোগী অধ্যয়নেই কবিতাৰ মৰ্মবস্তু উদ্ধাৰৰ একমাত্ৰ পথ।"

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়নৰ এই যুগতো আধুনিক কবিতাই আধুনিক মনৰ বতৰা লৈ বাস্তৱ জগতৰ সন্ধানেৰে জীৱনৰ পৰম সত্যক আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছে। কবি সমালোচক নীলমণি ফুকনে কৈছে, "মানুহৰ আৱেগ অনুভূতি যদি সজীৱ, সক্ৰিয় হৈ নাথাকে মানুহে কাকোৱেই, আনকি নিজকো অনুভৱ,উপলব্ধি কৰিব নোৱাৰিব। ..... জীৱন্ত বা সুপ্ত ৰূপত সকলো মানুহৰ মনতে কবিতা আছে। জীৱনৰ কোনোবা নহয় কোনোবা এটা স্তব্ধ বা কোলাহলময় মুহূৰ্তত সকলোৱে কবি।তেওঁ কবিতা ৰচনা কৰক বা নকৰক।"

*(বিভিন্ন গ্ৰন্থ আৰু আলোচনীৰ সহায়ত প্ৰবন্ধটি যুগুত কৰা হৈছে।)*